ৰাজ্যিক কাৰ্য্যালয়

# ভাৰতীয় জনতা পাৰ্টি ঃঃ অসম প্ৰদেশ

*"অটল বিহাৰী বাজপেয়ী ভৱন"*

Hengrabari, Guwahati - 781 036 :: Tel - 0361-2355522, Fax - 2359936 :: Email- bjp.guwahati@gmail.com

## প্ৰেছ বিজ্ঞপ্তি

**"অসম চৰকাৰে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলৰ লগতে নম্বৰ তালিকা যোগান ধৰিব নোৱাৰি এক অশুভ পৰম্পৰাৰ আৰম্ভ কৰিলে।" ঃ ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশ**

গুৱাহাটী, ২ জুন ২০১৫ ঃ অসম মাধ্যমিক শিক্ষা পৰিষদে পৰীক্ষাৰ ফলাফলৰ লগতেই নম্বৰ তালিকা প্ৰদান নকৰা কাৰ্য্যই এক অশুভ পৰম্পৰা আৰম্ভ কৰিলে। এই কাৰ্য্যক ভাৰতীয় জনতা পাৰ্টিৰ তৰফৰ পৰা তীব্ৰ গৰিহণা দিয়া হৈছে। কথাই কথাই দক্ষতা জাহিৰ কৰা মাননীয় শিক্ষামন্ত্ৰী আৰু মুখ্যমন্ত্ৰী মহোদয়ে ছাত্ৰ-ছাত্ৰীৰ জীৱনকলৈ হেতালী খেলা এনে কাৰ্য্য কেতিয়াও গ্ৰহণযোগ্য নহয়। প্ৰতিটো বিষয়তে নিকৃষ্ট ৰাজনীতি কৰি শিক্ষকৰ দৰমহা সুনিশ্চিত কৰা, চাকৰী নিয়মীয়া কৰণ কৰা, বিদ্যালয় প্ৰাদেশিকী কৰণ কৰা এশ এবুৰি দাবী কৰি যোৱা ১৪ বছৰে ৰাজনৈতিক মুনফালুটি থকা মাননীয় মুখ্যমন্ত্ৰী গগৈ ডাঙৰীয়াৰ স্বৰূপ ৰাইজৰ মাজত আকৌ এবাৰ স্পষ্ট হ'ল। সম্পূৰ্ণ আমোলাৰ নিয়ন্ত্ৰণৰ চলা এই খন কংগ্ৰেছ চৰকাৰে দুৰ্নীতি-জালিয়াতি, ক্ষমতাকেন্দ্ৰীক বাদ-বিসম্বাদ আদিত লিপ্ত হৈ থাকোঁতেই হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলৰ দৰে গুৰুত্বপূৰ্ণ বিষয়টোৰেই প্ৰয়োজনীয় গুৰুত্ব নাপালে। ভৱিষ্যতৰ দিনত এনেধৰণৰ কাৰ্য্যৰ পুণৰাবৃত্তি নঘটাৰ সকিয়নীৰে ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশে এই বিষয়টোৰ উচিত তদন্তৰ দাবী জনায়।

স্বাক্ষৰিত -
শশাঙ্ক জ্যোতি ডেকা
মুখপাত্ৰ
ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশ